**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-07-2025 **Time :** 1205Hrs.

## Assamese Midday Bulletin

জিলা প্ৰশাসন আৰু বন বিভাগে গোলাঘাট জিলাৰ ৰেংমা বনাঞ্চলৰ উৰিয়ামঘাটৰ দুই নম্বৰ পিঠাঘাট অঞ্চলত পুৱা ৯ বজাৰে পৰা উচ্চেদ অভিযান চলাইছে। অঞ্চলটোৰ বিদ্যাপুৰ বজাৰত কালিও অভিযান চলোৱা হৈছিল। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগৰ জাননী পোৱাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৮০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে।

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে উৰিয়ামঘাটত উচ্চেদিত অঞ্চলৰ ৭৫টা পৰিয়াললৈ সকাহ দি সংশ্লিষ্ট অঞ্চলত ৭ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযান নচলাবলৈ নিৰ্দেশ দিছে। এই অভিযান সন্দৰ্ভত ৭৫ জন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে কালি এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ে লগতে বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা মতামত বিচাৰে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অঞ্জনমণি কলিতা আৰু ৰাজেশ মজুমদাৰ, ন্যায়িক বিষয়া প্ৰাঞ্জল দাস আৰু সঞ্জীৱ কুমাৰ শৰ্মাই আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে উচ্চ ন্যায়ালয়ৰ নতুন ভৱনৰ ১ নম্বৰ আদালতত আজি পুৱা ১০ বজাত আয়োজিত অনুষ্ঠানত তেওঁলোকক শপত গ্ৰহণ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানত আৰক্ষী সঞ্চালক প্ৰধান হৰমিৎ সিং, ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়া, গুৱাহাটী উচ্চন্যায়ালয়ৰ উকীল সন্থাৰ সভাপতি কমল নয়ন চৌধুৰী আৰু গুৱাহাটী উচ্চ ন্যয়ালয়ৰ ন্যায়াধীশসকল উপস্থিত থাকে।

oooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্য অবৈধ দখলমুক্ত কৰাৰ বাবে ২০ আগষ্টৰ ভিতৰত ৰূপৰেখা সহ শপতনামা দাখিল কৰিবলৈ বন বিভাগক নিৰ্দেশ দিছে। ন্যায়ালয়ে কালি বিভাগটোক আদালতত দাখিল কৰিবলগীয়া শপতনামাৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰে। কালি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ বিচাৰপীঠে বিগত ৫ মাহে শপতনামা দাখিল নোহোৱাক লৈ বন বিভাগক প্ৰশ্ন কৰে। এটা প্ৰকৃতিপ্ৰেমী সংগঠনে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে এই প্ৰশ্ন কৰে। উল্লেখযোগ্য যে শোণিতপুৰ জিলাৰ এই অভয়াৰণ্যখন দখলমুক্ত কৰাৰ বাবে প্ৰস্তুত কৰা ৰূপৰেখা বিগত কেইবামাহো জুৰি আদালতত দাখিল নোহোৱাক লৈ সংগঠনটোৱে আবেদন দাখিল কৰিছিল। ইয়াৰ আগেয়ে ৪ ফেব্ৰুৱাৰীৰ শুনানিতে বন বিভাগে অভয়াৰণ্যখনত বিতং জৰীপ আৰম্ভ কৰা বুলি আদালতক অৱগত কৰোৱাৰ লগতে অভয়াৰণ্যখন দখলমুক্ত কৰাৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰি থকা বুলিও আদালতক অৱগত কৰিছিল। সেই অনুসৰি আদালতে ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষকক এই ৰূপৰেখাসহ এখন শপতনামা এমাহৰ ভিতৰত দাখিলৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে অভয়াৰণ্যখন হোৱা অবৈধ দখল সন্দৰ্ভত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ এটা গোচৰত বন বিভাগে ইতিপূৰ্বে দাখিল কৰা

শপতনামাত অভয়াৰণ্যখনৰ ৫০ হাজাৰ হেক্টৰ বনাঞ্চল দখলকাৰীৰ কৱলত পৰা বুলি উল্লেখ কৰিছিল। সেউজ ন্যায়াধীকৰণেও বন বিভাগক অভয়াৰণ্যখন দখলমুক্ত কৰাৰ ব্যৱস্থা ল'বলৈ পৰামৰ্শ দিছে।

০০০০০০

ৰাজ্যত অব্যাহত থকা গ্ৰীষ্ম প্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰীষ্ম বন্ধৰ পাছত অহা ১ আগষ্টৰ পৰা হ'বলগীয়া বিদ্যালয়ৰ পাঠদান সন্দৰ্ভত সমগ্ৰ শিক্ষা বিভাগে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সৈতে হোৱা বৈঠকৰ পাছত সমগ্ৰ শিক্ষাৰ কামৰূপ মহানগৰ জিলাৰ মিছন সমন্বয়কে এটা নিৰ্দেশনাযোগে জিলাখনৰ বিদ্যালয়সমূহত পাঠদানৰ নতুন সময়সূচী ঘোষণা কৰিছে। নতুন নিৰ্দেশনা অনুসৰি ১ আগষ্টৰ পৰা কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ পাঠদান পুৱা চাৰে ৭ বজাত আৰম্ভ হ'ব। অৱশ্যে বিদ্যালয়ৰ ছুটীৰ ক্ষেত্ৰত শ্ৰেণী অনুসৰি সময়ৰ সলনি হ'ব। নিৰ্দেশনাটোত উল্লেখ কৰা মতে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ছুটী চাৰে ১১ বজাত আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ছুটী ১২ বজাত হ'ব। মাধ্যমিক পৰ্যায়ৰ অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ পাঠদান দুপৰীয়া ১ বজা পৰ্যন্ত চলিব। এই শ্ৰেণীসমূহৰ পাঠ্যক্ৰম আগুৱাই নিয়াৰ স্বাৰ্থত বিদ্যালয়ৰ ছুটীৰ সময় চাৰে ১২ বজাৰ পৰিৱৰ্তে ১ বজা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। উল্লেখযোগ্য যে প্ৰচণ্ড গৰমৰ বাবে বিদ্যালয়ৰ শিক্ষাৰ্থীসকল যাতে অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰে শিক্ষা বিভাগক নিৰ্দেশ দিছে। গুৱাহাটী মহানগৰীৰ যান-জঁটৰ বাবে বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সালসলনি কৰাৰ বাবে চৰকাৰে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিতে সমগ্ৰ শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

কাছাৰ জিলাত পথ দুৰ্ঘটনা বৃদ্ধি পাইছে যদিও এনে দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা হ্ৰাস পাইছে জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে প্ৰকাশ কৰিছে। কালি জিলা পথ সুৰক্ষা সমিতিৰ বৈঠকত আয়ুক্তগৰাকীয়ে এই তথ্য প্ৰকাশ কৰাৰ লগতে জিলাখনত পথ দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস কৰাৰ বাবে সংশ্লিষ্ট বিভাগ আৰু সংগঠনসমূহৰ মাজত সমন্বয় বৰ্তাই ৰখাৰ আহ্বান জনায়। আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা মতে জিলাখনত দুৰ্ঘটনাগ্ৰস্ত অঞ্চল চিনাক্ত কৰি সেই অঞ্চলত পথ মেৰামতিৰ কাম কৰি থকা হৈছে। ২০২৩ চনত কাছাৰ জিলাত পথ দুৰ্ঘটনাত ৮১ জন লোকৰ মৃত্যু হৈছিল যদিও ২০২৫ চনত এই সংখ্যা ৪১ লৈ হ্ৰাস পোৱা বুলি তেওঁ কয়।

০০০০০০০